# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-Nov-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্যত ব্যৱহাৰ হ'বলগীয়া অমৃত কলহ কঢ়িয়াই বাহনৰ আজি শুভাৰম্ভ কৰে। বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপনৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত সংৰক্ষণ কৰি ৰখা ২৭০টা অমৃত কলহ গহপুৰলৈ লৈ যোৱা হ'ব। উল্লেখযোগ্য যে 'মোৰ মাটি, মোৰ দেশ' কাৰ্যসূচীৰ অংশ হিচাপে ২০২৩ বৰ্ষৰ ২০ ছেপ্তেম্বৰৰ পৰা ৰাজ্যত অমৃত কলহ যাত্ৰাৰ ৰূপায়ণ কৰি প্ৰতিখন গাঁও আৰু পৌৰ এলেকাৰ প্ৰতিটো ৱাৰ্ডৰ পৰা সংগ্ৰহ কৰা মাটি বা চাউল অমৃত কলহত সংগ্ৰহ কৰা হৈছিল। মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ ভাষণত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় ৰাজ্য চৰকাৰৰ এটা অন্যতম অভিলাষী প্ৰকল্প বুলি উল্লেখ কৰি কয়, যে এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ'ব। গহপুৰৰ ভোলাগুৰি চাহ বাগিচাৰ ৭৩১ বিঘা ভূমিত প্ৰায় ৫০০ কোটি টকা ব্যয়ৰে এই বিশ্ববিদ্যালয়খন নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম) ১**

ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়খনক সকলো দিশতে আগশাৰীৰ এখন প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে পৰ্যাপ্ত পুঁজি আৱণ্টনৰ ব্যৱস্থা কৰিছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে ইয়াত কৃত্ৰিম বুদ্ধিমত্তা, ৰব'টিক ছায়েন্স, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ'ব।

উল্লেখযোগ্য যে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে পৰহিলৈ এই বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব।

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত অহা ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমনৰ বিষয়েও প্ৰকাশ কৰে। শ্ৰীমোদীয়ে এই ভ্ৰমণকালত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নতুন আগমন প্ৰস্থান ভৱন মুকলি কৰাৰ উপৰি নামৰূপৰ ১২ লাখ মেট্ৰিকটনৰ ইউৰিয়া আৰু এম'নিয়া উৎপাদন প্ৰকল্পৰ উদ্বোধন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০

অসমৰ মুখ্য তথ্য আয়ুক্ত ভাস্কৰজ্যোতি মহন্তই আজি পদত্যাগ কৰিছে। ৰাজ্যপাললৈ দিয়া এখন পত্ৰত শ্ৰীমহন্তই জুবিন গাৰ্গৰ মৃত্যুৰ পাছত ভাতৃ শ্যামকানু মহন্তৰ বিৰুদ্ধে কেইবাখনো আৰ টি আই আবেদন দাখিল কৰা আৰু এই সম্পৰ্কীয় আপিল আবেদন তথ্য আয়োগলৈ অহাৰ পৰিপ্ৰেক্ষিতত তেওঁ পদত্যাগ কৰিছে বুলি উল্লেখ কৰে। পত্ৰখনত তেওঁ ভাতৃ শ্যামকানু মহন্তৰ নাম প্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সৈতে সাঙোৰ খাইছে আৰু এইক্ষেত্ৰত আৰ টি আই আবেদন দাখিলৰ বিষয়ে তেওঁ জানিব পাৰিছে। তথ্য আয়োগৰ মুৰব্বী হিচাপে এনে

আবেদনৰ আপিল সন্দৰ্ভত কোনো ৰায় দিয়াৰ সময়ত তেওঁৰ নিৰপেক্ষতা সম্পৰ্কত কাৰোবাৰ মনত সন্দেহৰ অৱকাশ থাকিব পাৰে। তথ্য আয়োগ আৰু গণতন্ত্ৰৰ উচ্চ পৰম্পৰা ৰক্ষা কৰি বিবেকৰ আহ্বানমৰ্মে তেওঁ পদত্যাগ কৰিছে।

উল্লেখযোগ্য যে ভাৰতীয় আৰক্ষী সেৱাৰ জ্যেষ্ঠ বিষয়া ভাস্কৰজ্যোতি মহন্তই ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন উচ্চ পদত কাৰ্যনিৰ্বাহ কৰাৰ পাছত ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধানৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। অৱসৰ গ্ৰহণৰ পাছত তেওঁক ২০২৩ চনত অসমৰ মুখ্য তথ্য আয়ুক্তৰূপে নিযুক্তি দিয়া হৈছিল।

ooooo

লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উদযাপন অংশ হিচাপে আজি বিভিন্ন জিলাত কাৰ্যসূচী অনুষ্ঠিত হয়। কোকৰাঝাৰ জিলা প্ৰশাসনে আজি এই উপলক্ষে একতাৰ দৌৰ অনুষ্ঠিত কৰে। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই মহাত্মা গান্ধী শিশু উদ্যানৰ পৰা এই দৌৰ মুকলি কৰে। হোজাই জিলাত লৌহ মানৱগৰাকীৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি আজি একতাৰ মানৱ শৃংখল অনুষ্ঠিত হয়। জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত সাংসদ কামাখ্যা প্ৰসাদ তাছা, কেইবাগৰাকীও বিধায়ক, জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ বিষয়ববীয়াৰ উপৰি এন চি চিৰ সদস্যসকলে অংশগ্ৰহণ কৰে। হোজাইৰ নতুন বজাৰৰ বিহুতলী খেলপথাৰৰ পৰা হোজাই চহৰৰ মাজেৰে গৈ হোজাই ষ্টেডিয়ামলৈ এই মানল শৃংখল অনুষ্ঠিত হয়।

গোৱালপাৰা জিলাতো আজি প্ৰশাসনৰ উদ্যোগত চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তীৰ অংশস্বৰূপে বিস্তৃত কাৰ্যসূচী লোৱা হৈছে। এই উপলক্ষে গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধিয়ে গোৱালপাৰা জিলা আয়ুক্ত কাৰ্যালয়ত বিষয়াসকলৰ সৈতে এখন সভা অনুষ্ঠিত কৰি সাংবাদ মাধ্যমক এই বিষয়ে অৱগত কৰে। এই অনুসৰি অহা ১৬ নৱেম্বৰত গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা আৰু ১৯ নৱেম্বৰত দুধনৈৰ উদয়পুৰত একতাৰ দৌৰ অনুষ্ঠিত হ'ব। ইপিনে, ৰাষ্ট্ৰীয় গীত বন্দে মাতৰৰ ডেৰশ বছৰ পূৰ্ণ হোৱা উপলক্ষে কাইলৈ জিলাখনৰ প্ৰশাসনৰ উদ্যোগত গীতটো পৰিৱেশনৰ ব্যৱস্থা কৰা হৈছে বুলি সাংসদগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

সমাপ্ত